অসম চৰকাৰ

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়

ক্ৰমিক নং - ডি.এইচ.টি.জি.১১৭/২০২১/৭৪ তাৰিখ ১৮/১/২০২২

প্ৰেৰক - শ্ৰী পি. মহন্ত, এ.চি.এচ.
সঞ্চালক,
হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসম,
গুৱাহাটী-১ ।

প্ৰতি - সঞ্চালক,
তথ্য আৰু জনসংযোগ, অসম,
দিশপুৰ, গুৱাহাটী ।

বিষয় - বাতৰি কাকতত দিবলগীয়া জাননী

মহাশয়,

ওপৰোক্ত বিষয় সন্দৰ্ভত সন্মান সহকাৰে আপোনাক জনাঁও যে হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়, অসমৰ অধীনস্থ হস্ততাঁত প্ৰশিক্ষণ প্ৰতিস্থান সমূহত ২০২২-২৩ বৰ্ষৰ এবছৰীয়া পাঠ্যক্ৰমত প্ৰশিক্ষণ লব বিচৰা ইচ্ছুক প্ৰাৰ্থী সকলৰ বাবে এখন জাননীৰ ৪ টা প্ৰতিলিপি ইয়াৰ লগত সংলগ্ন কৰি পঠিওৱা হল ।

উক্ত জাননীখন অসমৰ সৰ্ব্বাধিক প্ৰচাৰিত অতি কমেও তিনিখন বাতৰি কাকত আৰু অহা সংখ্যাৰ অসম ৰাজ প্ৰত্ৰত প্ৰকাশ কৰাৰ ব্যৱস্থা লবলৈ অনুৰোধ কৰা হল ।

ভৱদীয়,

সঞ্চালক,
হস্ত তাঁত আৰু বস্ত্ৰশিল্প, অসম,
আমবাৰী, গুৱাহাটী-১ ।

## হস্ততাঁত আৰু বস্ত্ৰশিল্প প্ৰশিক্ষণ প্ৰতিস্থানত নাম ভৰ্ত্তিৰ প্ৰ- পত্ৰ

ফটো

### (চাৰ্টিফিকেট কৰ্চ)

১) সমপূৰ্ণ নাম :-

২) স্থায়ী ঠিকনা :-

৩) পিতা / স্বামীৰ নাম, ব্যৱসায় :-

৪) অভিভাৱকৰ নাম, ঠিকনা
(যদি পিতৃ / স্বামী স্বৰ্গীয় হৈছে) :-

৫) ধৰ্ম্ম, ৰাষ্ট্ৰীয়তা :-

৬) জন্মৰ তাৰিখ :-

৭) বয়স ( ১- ১- ২০২২ তাৰিখত ) :-

৮) জাতি :-
(অনুসূচীত জাতি / জনজাতি বা অন্যান্য
পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থী হলে তেওঁ কোন
শ্ৰেণীৰ হয় তাৰ প্ৰমাণ-পত্ৰ লগত গাঠি দিব লাগিব)

৯) আৰ্থিকভাবে দুৰ্বল শ্ৰেণীৰ প্ৰাৰ্থী হলে
প্ৰয়োজনীয় প্ৰমাণপত্ৰ গাঠি দিব লাগিব :-

১০) সাধাৰণ শিক্ষাগত অৰ্হতা :-

১১) সাধাৰণ শিক্ষা সমাপ্তি ঘটোৱা :-
শিক্ষানুস্থানৰ নাম আৰু শিক্ষাবৰ্ষ

১২) এবছৰীয়া আৰ্টিজেন কৰ্চত উত্তীৰ্ণ
হোৱা কেন্দ্ৰৰ নাম :-
(ক) উত্তীৰ্ণ হোৱা শ্ৰেণী :-
(খ ) উত্তীৰ্ণ হোৱা শিক্ষাবৰ্ষ :-

১৩) প্ৰশিক্ষন লবলৈ বিচৰা প্ৰতিস্থানৰ নাম :-

১৪) প্ৰাৰ্থীৰ বেঙ্ক একাউন্ট নং, বেঙ্কৰ নাম আৰু
আই,এফ,এচ,চি নং :-

১৫) প্ৰাৰ্থীৰ যোগাযোগ নম্বৰ :-

ইয়াৰ দ্বাৰা মই ঘোষনা কৰো যে ওপৰত উল্লেখিত তথ্যসমূহ মোৰ জ্ঞান আৰু বিবেচনা মতে সত্য । উক্ত কোনো তথ্য যদি ভূল বা অসত্য হয় তেন্তে তাৰ বাবে মোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লব পাৰিব ।

**(পিতা / স্বামী / অভিভাৱকৰ স্বাক্ষৰ আৰু তাৰিখ)** **(আবেদন কাৰীৰ স্বাক্ষৰ আৰু তাৰিখ)**

# জাননী

অসম চৰকাৰৰ হস্তভাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকায়ৰ অন্তৰ্গত হাটবৰ (নগাঁও), গনককুছি (বৰপেটা), উত্তৰ লখিমপুৰ (লখিমপুৰ) আৰু মুছলপুৰ (বাক্সা) ত অৱস্থিত হস্তভাঁত প্ৰশিক্ষন প্ৰতিস্থানত ২০২২-২৩ বৰ্ষৰ এবছৰীয়া চাৰ্টিফিকেট পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে । প্ৰাৰ্থী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে ভাৰতীয় নাগৰিক হব লাগিব। আবেদনকাৰী প্ৰাৰ্থী কমেও হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ আৰু হস্তভাঁত বস্ত্ৰশিল্প বিভাগৰ অধীনৰ হস্তভাঁত প্ৰশিক্ষণ কেন্দ্ৰৰ এবছৰীয়া আৰ্টিজেন পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱা হব লাগিব । প্ৰাৰ্থীৰ বয়স ইং ১/১/২০২২ তাৰিখে ১৮ বছৰৰ কম আৰু ৩০ বছৰৰ বেছি হব নালাগিব । অনুসূচীত জাতি / জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে বয়সৰ উৰ্দ্ধতম সীমা ২ বছৰ ৰেহাই দিয়া হব, লগতে তেওঁলোকৰ বাবে আৰু আৰ্থিকভাবে দুৰ্বল শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে চৰকাৰী নিয়ম অনুযায়ী আসন সংৰক্ষণৰ ব্যৱস্থা থাকিব। প্ৰাৰ্থী সকলে নিৰ্দ্ধাৰিত প্ৰ- পত্ৰখন নিজ হাতেৰে পূৰণ কৰি একপি পাচপৰ্ট ফটোসহ অহা ইং ২৫/০২/২০২২ ৰ ভিতৰত হাটবৰ, গনককুছি, উত্তৰ লখিমপুৰ আৰু মুছলপুৰৰ প্ৰশিক্ষণ প্ৰতিস্থানৰ কাৰ্য্যালয়ত পোৱাকৈ পঠাব লাগিব । নিৰ্দ্ধাৰিত তাৰিখৰ পিছত কোনো আবেদন পত্ৰ গ্ৰহণ কৰা নহব । ডাকযোগে পঠিওৱা আবেদন পত্ৰ পোৱা নোপোৱাৰ ক্ষেত্ৰত কোনো ধৰনৰ আপত্তি গ্ৰহণ যোগ্য নহব । প্ৰতিজন প্ৰাৰ্থীয়ে কেৱল এখন আবেদন পত্ৰহে দাখিল কৰিব লাগিব । এই সম্পৰ্কত বিস্তাৰিত তথ্য আৰু প্ৰ-পত্ৰ হস্তভাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ জিলা আৰু মহকুমা পৰ্য্যায়ৰ বিষয়াৰ কাৰ্য্যালয়ৰ লগতে বিভাগীয় Website পৰা সংগ্ৰহ কৰিব পাৰিব ।

উল্লেখযোগ্য যে প্ৰশিক্ষণৰ সময়ছোৱাত প্ৰতিজন প্ৰাৰ্থীৰ স্বভাৱ, চৰিত্ৰ, শ্ৰেণীত নিয়মীয়া উপস্থিতি আৰু প্ৰশিক্ষণৰ অগ্ৰগতিৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে ধাৰ্য্য কৰা হাৰত মাহিলী বৃত্তি পোৱাৰ ব্যৱস্থা থাকিব । প্ৰাৰ্থীসকলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ফলাফল আৰু এবছৰীয়া আৰ্টিজেন কৰ্চৰ ফলাফলৰ ভিত্তিত নিৰ্বাচন কৰা হব । উচ্চ শিক্ষাৰ প্ৰাৰ্থী সকলক অগ্ৰাধিকাৰ দিয়া হব। প্ৰশিক্ষণৰ কালত প্ৰাৰ্থীসকলে থকা, খোৱাৰ ব্যৱস্থা নিজেই কৰিব লাগিব । নিৰ্দ্ধাৰিত প্ৰাৰ্থীক প্ৰশিক্ষণৰ শেষত বিভাগীয় চৰকাৰী চাকৰি দিয়াৰ ক্ষেত্ৰত কোনো দায়বদ্ধতা নাথাকিব।

প্ৰাৰ্থী নিৰ্বাচন তথা অন্যান্য ক্ষেত্ৰত নিৰ্বাচন মন্দলীৰ ৰায় চুড়ান্ত বুলি বিবেচিত হব। এই সকলো বিষয়তে সঞ্চালকৰ কতৃত্ব সংৰক্ষিত থাকিব ।

সঞ্চালক,

হস্তভাঁত আৰু বস্ত্ৰশিল্প, অসম,

গুৱাহাটী - ১